**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত আজি কামৰূপ মহানগৰ, শিৱসাগৰ, শোণিতপুৰ আৰু পশ্চিম কাৰ্বি আংলং জিলাত বিভিন্ন আঁচনি ৰূপায়ণ।
২। ৰাজ্যৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিৰ সাহিত্য একাডেমী বঁটা লাভত ৰাজ্যবাসী আহ্লাদিত।
৩। কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ সুশাসন সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত আজিৰ পৰা **প্ৰশাসন গাঁৱৰ ফালে** শীৰ্ষক অভিযান।
৪। **এখন দেশ, এটা নিৰ্বাচন** বিধেয়ক সন্দৰ্ভত চৰকাৰৰ ৩১ জনীয়া যুটীয়া সংসদীয় সমিতি গঠন। লোকসভাৰ ২১ জন আৰু ৰাজ্যসভাৰ ১০ জন সাংসদক সমিতিত অন্তৰ্ভুক্ত।      **আৰু**
৫। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ভাৰতৰ তৃতীয় স্থান অক্ষুণ্ণ।

০০০০০০

ৰাজ্য চৰকাৰে অসমৰ সামগ্ৰীক বিকাশ আৰু জনতাৰ জীৱনৰ মান উন্নীতকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি কামৰূপ মহানগৰ, শিৱসাগৰ, শোণিতপুৰ আৰু পশ্চিম কাৰ্বি আংলং জিলাত বিভিন্ন আঁচনিৰ বঁটা, সাহায্য তথা প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব।

অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত- কামৰূপ মহানগৰত ৬১২ গৰাকী, শিৱসাগৰত ২ হাজাৰ ৮৪৫, শোণিতপুৰত ৩ হাজাৰ ১৪০ আৰু পশ্চিম কাৰ্বি আংলঙত ৩৫ গৰাকী- তৃতীয়বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত ঋণ মুক্তিৰ প্ৰমাণ পত্ৰ বিতৰণ কৰা হ'ব। একেদৰে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংশাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত কামৰূপ মহানগৰ জিলাত ৬৮ গৰাকী, শিৱসাগৰত ৮৬ গৰাকী, শোণিতপুৰত ১৭৩ আৰু পশ্চিম কাৰ্বি আংলং জিলাত ৪২ গৰাকী ব্যক্তিলৈ মূলধনী বিনিয়োগৰ ওপৰত ৰাজ সাহায্য আগবঢ়োৱা হ'ব। ইয়াৰ লগতে শিৱসাগৰত ১৮৬টা, শোণিতপুৰত ৩ আৰু পশ্চিম কাৰ্বি আংলং জিলাত ৫টা দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈ আজি আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

কামৰূপ মহানগৰ জিলাৰ অনুষ্ঠানটিত কৃষিমন্ত্ৰী অতুল বৰা, শোণিতপুৰত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহাল আৰু শিৱসাগৰ জিলাত পৰিবহণ মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

আনহাতে পশ্চিম কাৰ্বি আংলং জিলাত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ২০১ গৰাকী শিক্ষাৰ্থীক  স্কুটাৰ, মুখ্যমন্ত্ৰী বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ৩ হাজাৰ ৬৮ গৰাকী শিক্ষাৰ্থীক চাইকেল আৰু আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াৰে ১১১ গৰাকী শিক্ষাৰ্থীক নগদ পুৰস্কাৰ প্ৰদান কৰা হ'ব। এই কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং মুখ্য অতিথি ৰূপে উপস্থিত থাকিব।

০০০০০০

রাজ্যৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ চলিত বৰ্ষৰ সাহিত্য একাডেমী বঁটা আগবঢ়োৱাত ৰাজ্যবাসী যথেষ্ট আনন্দিত হৈছে। বিশিষ্ট কবি সমীৰ তাঁতী, সংস্কৃত ভাষাৰ বাবে দীপক কুমাৰ শৰ্মা আৰু বড়ো ভাষাৰ ঔপন্যাসিক অৰণ ৰাজাক এই বছৰৰ সন্মানজনক সাহিত্য একাডেমী বঁটা আগবঢ়োৱা হৈছে। সাহিত্য একাডেমীয়ে কালি নতুন দিল্লীত ঘোষণা কৰা ২১টা ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়া ভাষাত **ফৰিংবোৰে বাটৰ কথা জানে** কাব্যগ্ৰন্থৰ বাবে সমীৰ তাঁতীক আৰু **চৌৰণি থাকাই অৰ্থাৎ কাৰ বাবে** উপন্যাসখনৰ বাবে অৰণ ৰাজাক আৰু সংস্কৃত ভাষাৰ কাব্যগ্ৰন্থ **ভাস্কৰচৰিতম্**ৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক দীপক কুমাৰ শৰ্মাক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। হাউবাম সত্যৱতী দেৱীক তেওঁৰ কাব্য সংকলনৰ বাবে মণিপুৰী ভাষাত এই বছৰৰ সাহিত্য একাডেমী বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ সুশাসন সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত আজিৰ পৰা ২৪ ডিচেম্বৰলৈ **প্ৰশাসন গাঁৱৰ ফালে** শীৰ্ষক অভিযান আৰম্ভ কৰা হ'ব। প্ৰশাসন যন্ত্ৰক স্বচ্ছ আৰু নিকা কৰাৰ লগতে গ্ৰামাঞ্চলৰ জনতাৰ কাষলৈ লৈ যোৱাটোৱে এই সপ্তাহৰ অন্যতম প্ৰধান লক্ষ্য। তদুপৰি ৰাজহুৱা অভিযোগ তথা সমস্যাসমূহৰ ক্ষীপ্ৰ নিষ্পত্তিকৰণো এই সপ্তাহ পালনৰ আন এটা বিশেষ বৈশিষ্ট। এই অভিযানকালত কামৰূপ জিলাৰ অন্তৰ্গত গুৱাহাটী, দিশপুৰ, চন্দ্ৰপুৰ, সোণাপুৰ আৰু আজাৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে চন্দ্ৰপুৰ, ডিমৰীয়া, আৰু ৰাণী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট ৰাজহুৱা সমস্যাসমূহ নিষ্পত্তি কৰা হ'ব। এই বিশেষ শিবিৰত সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়া দায়িত্বত নিয়োজিত হৈ থাকিব।

লখিমপুৰ জিলাতো আজিৰ পৰা এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। সু-শাসন সপ্তাহৰ জৰিয়তে ৰাজহুৱা অভিযোগসমূহৰ সমাধান কৰিবলৈ জিলাখনৰ সকলো বিভাগীয় কাৰ্যালয়ৰ লগতে ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। ৰাজহুৱা সেৱা উন্নীতকৰণৰ বাবে নাগৰিকসকলৰ অমীমাংসিত আবেদনসমূহ শীঘ্ৰেই নিষ্পত্তি কৰিবলৈ সকলো বিভাগকে নিৰ্দেশ দিয়া হৈছে।

যোৰহাট জিলাতো আজিৰ পৰা **প্ৰশাসন গাঁৱৰ ফালে** শীৰ্ষক অভিযান আৰম্ভ কৰা হ'ব। জিলাখনৰ আয়ুক্ত জয় শিৱানীয়ে এই কাৰ্যসূচীত জনসাধাৰণক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

**তিনিচুকীয়া** জিলাতো এই অভিযান আজিৰ পৰা আৰম্ভ কৰা হ'ব। এই শিবিৰ জিলাখনৰ চাৰিটা ৰাজহ চক্ৰ ডুমডুমা, মাৰ্ঘেৰিটা, শদিয়া আৰু তিনিচুকীয়া ৰাজহ চক্ৰৰ উপৰি ৭টা উন্নয়ন খণ্ডত অনুষ্ঠিত কৰা হ'ব।

০০০০০০

০০০০০০

কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচীত কালি কৰ্তব্যৰত সাংবাদিকৰ ওপৰত আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰাত এটা বৈদ্যুতিন চেনেলৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকসহ তিনিগৰাকী সাংবাদিক আহত হোৱা ঘটনাৰ প্ৰতিবাদৰ লগতে সাংবাদিক নিৰ্যাতন বন্ধৰ দাবীত আজি সকলো সংবাদকৰ্মীক ক'লা বেজ পৰিধান কৰিবলৈ গুৱাহাটী প্ৰেছ ক্লাবে আহ্বান জনাইছে। গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত আজি দিনৰ চাৰে **১২** বজাত এটা প্ৰতিবাদী কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত সংবাদকৰ্মীসকলক উপস্থিতি থাকিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজনৈতিক বিষয়সমূহক লৈ মন্তব্য প্ৰকাশ কৰাৰ পৰা বিৰত থাকিবলৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকললৈ নিৰ্দেশ দিছে। মন্ত্ৰীসকললৈ প্ৰেৰণ কৰা এখন পত্ৰত ড° শৰ্মাই মন্ত্ৰীসকলক সংশ্লিষ্ট বিভাগসমূহৰ উন্নয়নমূলক কাম-কাজ তথা চৰকাৰী নীতি, প্ৰকল্প আৰু কাৰ্যসূচীক লৈহে বক্তব্য দিবলৈ পৰামৰ্শ আগবঢ়াইছে। ৰাজ্যত অব্যাহত থকা ১২ দিনীয়া বিকাশৰ যাত্ৰাৰ কাৰ্যসূচীত মন্ত্ৰীসকলে কৰা ৰাজনৈতিক মন্তব্যই মূল বিষয়সমূহৰ পৰা সাধাৰণ ৰাইজৰ দৃষ্টি কাঢ়ি নিয়া বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজনৈতিক মন্তব্য তথা প্ৰতিক্ৰিয়া এৰাই চলিবলৈ স্পষ্ট নিৰ্দেশ দিছে। পত্ৰখনত মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰিছে যে, চৰকাৰে জোৰদাৰভাৱে উন্নয়নমূলক তথা আৰ্থ সামাজিক উন্নয়নৰ অভিলাষী আঁচনিসমূহ আগুৱাই নিছে আৰু এই সময়ত এই কাৰ্যসূচীত কোনো বিক্ষিপ্ত বিষয় সোমাই নপৰাটো সুনিশ্চিত কৰাত সকলোৱে মনোনিৱেশ কৰিব লাগে।

০০০০০০

ৰাজ্যত প্ৰথমবাৰৰ বাবে কালি ব্ৰহ্মপুত্ৰত পোৱা শিহুৰ শৰীৰত ক্ষুদ্ৰাকৃতিৰ ইলেকট্ৰনিক চিপ সংযুক্ত কৰি ইয়াৰ গতিবিধি নিৰীক্ষণৰ প্ৰক্ৰিয়া শুভাৰম্ভ কৰা হৈছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ সহযোগত ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানে ৰাজ্যৰ বন বিভাগ আৰু আৰণ্যকৰ সহযোগত এই প্ৰক্ৰিয়া আৰম্ভ কৰে। কুলশী নদীত শিহুৰ গাত প্ৰথমবাৰৰ বাবে এই চিপ সংযোগ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই পদক্ষেপক আদৰণি জনোৱাৰ লগতে ঐতিহাসিক বুলি অভিহিত কৰিছে। এই ব্যৱস্থাই প্ৰাণীবিধৰ গতিবিধি নিৰীক্ষণ কৰাৰ লগতে চোৰাং চিকাৰীৰ পৰা সুৰক্ষা প্ৰদান কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানত গেলফু মাইণ্ডফুলনেছ চিটী প্ৰকল্পৰ বুজ লয়। এই সময়ছোৱাত দ্ৰুক হ'ল্ডিং এণ্ড ইনভেষ্টমেণ্ট লিমিটেডে পৰিৱেশ সংৰক্ষণৰ লগতে অৰ্থনৈতি উন্নয়নৰ বাবে গ্ৰহণ কৰি অহা ভূমিকাৰ বিষয়েও উদ্যোক্তাসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীগৰাকীয়ে অসমত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছাম টু পইণ্ট জিৰো শীৰ্ষক আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলনত অংশগ্ৰহণৰ বাবে বিভিন্ন অংশীদাৰী আৰু উদ্যোগীসকলক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণকালতে বিশিষ্ট শিক্ষাবিদ অৰুণ কাপুৰৰ সৈতেও বাৰ্তালাপত মিলিত হয়। তেওঁ কালি ভূটানৰ আধ্যাত্মিক আৰু সাংস্কৃতিক কেন্দ্ৰ, ঐতিহাসিক চিমটখা জঙত উপস্থিত হৈ প্ৰাৰ্থনা জনায়।

০০০০০০

ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা অসম গণ পৰিষদৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই কালি হাটশিঙিমাৰীত এখন দলীয় কৰ্মশালাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। অসম গণ পৰিষদৰ মানকাচৰ বিধানসভা সমিতিৰ উদ্যোগত আয়োজিত এই কৰ্মশালাত মন্ত্ৰীগৰাকীয়ে মানকাচৰৰ ৩৫ খন গাঁও পঞ্চায়তৰ কৰ্মীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। কৰ্মশালাখনত প্ৰাক্তন বিধায়ক জাভেদ ইছলামো উপস্থিত থাকে।

০০০০০০

**দেশৰ পাঁচ বছৰৰ তলৰ শিশুক নিউমোনিয়া ৰোগৰ পৰা ৰক্ষা কৰাৰ লক্ষ্যৰে যোৱা ১২ নৱেম্বৰৰ পৰা অহা ২৮ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত চাঁচ (SAANS) অভিযান আৰম্ভ কৰা হৈছে। শিশুৰ দেহত নিউমোনিয়াৰ লক্ষণসমূহ প্ৰত্যক্ষ কৰিলে শিশুটিক নিকটতম স্বাস্থ্যসেৱা কেন্দ্ৰলৈ লৈ যাবলৈ স্বাস্থ্য বিভাগে আহ্বান জনাইছে। এই ৰোগৰ প্ৰতিষেধক চৰকাৰী স্বাস্থ্য কেন্দ্ৰসমূহত উপলব্ধ হৈছে।**

০০০০০০

বতৰৰ বতৰা- বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে দিনৰ ভাগলৈ বতৰ ডাৱৰীয়া হৈ থাকিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত অহা ২৪ ঘণ্টাত বতৰ শুকান হৈ থকাৰ লগতে কম-বেছি পৰিমাণে কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

কংগ্ৰেছ দলৰ ৰাজভৱন চলো কাৰ্যসূচীত অংশগ্ৰহণৰ পাছতে এজন প্ৰতিবাদকাৰী কংগ্ৰেছ নেতাৰ মৃত্যুৰ ঘটনাই চাঞ্চল্যকৰ সৃষ্টি কৰাৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমৰ সাহিত্যৰ ক্ষেত্ৰলৈ সুখবৰ। ৰাজ্যখনৰ ৩ গৰাকী বিশিষ্ট সাহিত্যিকসকললৈ ২০২৪ চনৰ সাহিত্য অকাডেমি বঁটা আগবঢ়োৱা বাতৰিটো **দৈনিক অসম** কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন**কে ধৰি প্ৰায় কেইখন কাকত প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উত্তৰ-পূৰ ভাৰতত ২০04 চনত বিচ্ছিন্নতাবাদী সংগঠন আলফাই চোৰাং অস্ত্ৰ সৰবৰাহ কৰাত চেষ্টা চলোৱাৰ গোচৰত বাংলাদেশৰ উচ্চ ন্যায়ালয় পৰেশ বৰুৱাৰ মৃত্যুদণ্ড যাৱজ্জীৱন কাৰাদণ্ডলৈ হ্ৰাস কৰাৰ বাতৰিটো **দি আছাম ত্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়াৰে পৰা মন্ত্ৰী সভাৰ সদস্যসকলে সাংবাদিকৰ সৈতে কথা পাতোতে কেৱল উন্নয়নমূলক কাৰ্যসূচী সম্পৰ্কতে কথা ক'বলৈ  মুখ্যমন্ত্ৰীৰ নিৰ্দেশ এই বাতৰিটো দি চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে মন্ত্ৰীক ৰাজনৈতিক মন্তব্য নিদিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰাপ্য বিচাৰি আমৰণ অমশনত বহা শিক্ষকে প্ৰতিবাদ সাময়িকভাৱে স্থগিত ৰখাৰ বাতৰিটো বহু অনশনকাৰী অসুস্থ, শিক্ষকৰ ধৰ্মঘট স্থগিত শিৰোনামেৰে **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেখন কাকতে খানাপাৰাৰ পশুচিকিৎসা মহাবিদ্যালয় খেলপথাৰত অহা ২৭ ডিচেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া গ্ৰন্থমেলাত লাইখুঁটা স্থাপনৰ বাতৰিটো খানাপাৰত অসম গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সীমান্তৰ সংঘাতৰ অৱসান ঘটাই দ্বিপাক্ষিক সম্পৰ্কৰ উন্নতি ঘটোৱা বিষয়টোৰ গুৰুত্ব আৰোপ কৰি চীনৰ বিদেশমন্ত্ৰীৰ সৈতে ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাৰ বৈঠকৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে সীমা সংঘাতৰ অৱসান ঘটাই নতুন অধ্যায়ৰ সূচনাৰ প্ৰয়াস ভাৰতৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেখন কাকতে বাংলাদেশত সংখ্যালঘু হিন্দুৰ ওপৰত বৰ্বৰোচিত নিৰ্যাতন চলি থকাৰ বাতৰিটো অসম-বংগ ত্ৰিপুৰাক সামৰি বাংলাদেশৰ নতুন মানচিত্ৰ মাহফুজ আলমৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বক্স বাতৰি প্ৰকাশ কৰিছে।

ইছলামিক মৌলবাদ তথা জেহাদমূলক কাম-কাজত জড়িত থকাৰ সন্দেহত অসম আৰক্ষীৰ এছ্ টি এফ বাহিনীয়ে ৯ জনক আটক কৰা বাতৰিটোৱে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অগ্ৰদূত কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**শেষ ঃ** এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

**এখন দেশ, এটা নিৰ্বাচন** বিধেয়কক লৈ চৰকাৰে কালি ৩১ জন সাংসদৰে যুটীয়া সংসদীয় সমিতি গঠনৰ কথা ঘোষণা কৰে। প্ৰস্তাৱিত সমিতিখনত লোকসভাৰ ২১ জন আৰু ৰাজ্যসভাৰ ১০ জন সদস্য থাকিব। সমিতিৰ সদস্যসকলৰ ভিতৰত বিজেপি নেতা পি পি চৌধুৰী, অনুৰাগ সিং ঠাকুৰ, আৰু পুৰুষোত্তম ভাইৰূপালা, কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী আৰু মনীষ তিৱাৰী, তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জী, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে অন্যতম। বিধেয়ক কেইখনক সংবিধান (১২৯ সংখ্যক সংশোধনী) বিধেয়ক ২০২৪ কেন্দ্ৰীয় শাসিত প্ৰদেশ আইন (সংশোধনী) বিধেয়ক ২০২৪ হিচাপে নামকৰণ কৰা হৈছে।

০০০০০০

ব্ৰীছবেন টেষ্ট অমীমাংসিতভাৱে সমাপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ভাৰতৰ তৃতীয় স্থান অক্ষুন্ন আছে। দক্ষিণ আফ্ৰিকা পইণ্ট তালিকাৰ শীৰ্ষত আৰু অষ্ট্ৰেলিয়া দ্বিতীয় স্থানত আছে। দক্ষিণ আফ্ৰিকাৰ পাছত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত দ্বিতীয়টো দলৰূপে ফাইনেলত প্ৰৱেশ কৰিবলৈ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অব্যাহত থকা শৃংখলাৰ বাকী খেল দুখনত ভাৰতৰ বাবে জয় অৱশ্যম্ভাৱী হৈ পৰিছে।

উল্লেখযোগ্য যে, ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন টেষ্ট কালি অমীমাংসিতভাৱে সমাপ্ত হয়। খেলখনৰ  অন্তিম দিনা ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত ৭ উইকেটৰ বিনিময়ত ৮৯ ৰান কৰি নাটকীয়ভাৱে ইনিংছ সমাপ্তি ঘোষণা কৰে আৰু ভাৰতক দ্বিতীয় ইনিংছত ২৭৫ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে যদিও ভাৰতে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ ৮ ৰান কৰা অৱস্থাত বৰষুণৰ বাবে খেলৰ সমাপ্তি ঘোষণা কৰা হয়।

০০০০০০

সমাপ্ত